# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 31-8-2026
**Time :** 1715 PM

## *Assamese Evening Bulletin*
### Headlines
-------------------

০০০০০

সোণাপুৰৰ ক্ষেত্ৰীৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত কালি সংঘটিত পথ দুৰ্ঘটনাত মৃত্যু হোৱা লোকসকলৰ পৰিয়াললৈ পাঁচ লাখ টকাকৈ আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব। আজি দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰিছে।

(বাইট ঃ ড০ শৰ্মা)

উল্লেখযোগ্য যে কালিৰ পথ দুৰ্ঘটনাত নিহত হোৱা লোকৰ সংখ্যা ৭ লৈ বৃদ্ধি পাইছে। দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হৈ গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা অনিমা ডেকা বৰদলৈ নামৰ মহিলাগৰাকীৰ আজি মৃত্যু হয়।

ইপিনে আহত আন ছজন লোক বৰ্তমান গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে। ইয়াৰে দুজন লোকৰ অৱস্থা অতি সংকটজনক বুলি মহাবিদ্যালয়খনৰ অধ্যক্ষই সাংবাদিকৰ আগত প্ৰকাশ কৰিছে।

দুৰ্ঘটনাত নিহত হোৱা জ্যোতিকা ৰংহাং নামৰ এগৰাকী মহিলা আৰু গাড়ীখনৰ চালক গোপাল দাসক চিনাক্ত কৰা হৈছে। ইপিনে এই ভয়ংকৰ পথ দুৰ্ঘটনাৰ পাছতে ৰাষ্ট্ৰীয় ঘাইপথৰ দুৰৱস্থাৰ পৰ্যালোচনাৰ বাবে আজি খানাপাৰাৰ আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধি, কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত, ডিমৰীয়া সমজিলাৰ আয়ুক্ত, আৰক্ষী আয়ুক্ত, ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ বিষয়া, বিধায়ক তথা ডিমৰীয়াৰ দল-সংগঠনৰ প্ৰতিনিধিয়ে অংশ লয়। বৈঠকত দুৰ্ঘটনাৰ কাৰণ, ৰাষ্ট্ৰীয় ঘাই পথটোত দেখা দিয়া সমস্যাসমূহ আৰু ইয়াৰ নিবাময়ৰ বাবে তাৎক্ষণিক আৰু দীৰ্ঘম্যাদী ব্যৱস্থাসমূহৰ বিষয়ে সবিশেষ পৰ্যালোচনা কৰা হয়। বিশেষকৈ পথছোৱাৰ সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰা, যানবাহন চলাচল নিয়ন্ত্ৰণ, প্ৰয়োজনীয় স্থানত উপযুক্ত সংকেট, পোহৰ আৰু অন্যান্য সুৰক্ষা ব্যৱস্থা নিশ্চিত কৰাৰ লগতে সংশ্লিষ্ট বিভাগসমূহৰ মাজত সমন্বয় সুদৃঢ় কৰাত গুৰুত্ব আৰোপ কৰা হয়।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে ক্ষেত্ৰীত কালি গুৱাহাটী অভিমুখী এখন যাত্ৰীবাহী বাহনে ডিভাইডাৰত খুন্দা মাৰি নিয়ন্ত্ৰণ হেৰুৱাই বিপৰীত দিশৰ পৰা আহি থকা এখন মালবাহী ট্ৰাকত খুন্দা মৰাৰ ফলত

ছজন লোকৰ মৃত্যু হোৱাৰ লগতে কেইবাজনো লোক গুৰুতৰভাৱে আহত হয়। পথৰ মাজত থকা দ' গাঁতৰ বাবে এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি অভিযোগ তুলি কালি স্থানীয় ৰাইজে পথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে।

ooooo

উজনি অসমৰ বান ক্ষতিগ্ৰস্ত চাৰিখন জিলাৰ সাহয্য লাভৰ পৰা বাদ পৰি যোৱা লোকসকলক ১৫ হাজাৰ টকাকৈ কাইলৈ প্ৰদান কৰা হ'ব। জীৱন প্ৰেৰণা আঁচনিৰ উপৰি চি এম ফ্লাইট আঁচনিৰ সংশোধিত নীতি অনুসৰি প্ৰথম কিস্তিৰ ধনো কাইলৈ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত সিদ্ধান্ত লোৱা হয়।

বৈঠকত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃগাঁথনিৰ বাবে ১০৯ কোটি টকা আৱণ্টন দিয়াৰ লগতে বিশ্ববিদ্যালয়খনক পৰৱৰ্তী সময়তো ১৪০ কোটি টকা আৱণ্টন দিব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হয়। অহা ৭ ছেপ্তেম্বৰত উপ-ৰাষ্ট্ৰপতিৰ অসম ভ্ৰমণৰ কাৰ্যসূচীত এই পুঁজি বিশ্ববিদ্যালয়খনক আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব। কৰ্কট ৰোগৰ উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ৬০০ কোটি টকা ব্যয়সাপেক্ষে এটা প্ৰ'টন বীম থেৰাপি কেন্দ্ৰ স্থাপনত ৰাজ্যিক মন্ত্ৰীসভাই অনুমোদন জনায়। দেশৰ ভিতৰতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল এই বিশেষ যন্ত্ৰ সংযোজিত হোৱা প্ৰথমখন চিকিৎসা মহাবিদ্যালয় হিচাপে চিহ্নিত হ'ব। বান বিধ্বস্ত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ অৰুণোদয় আঁচনিৰ হিতাধিকাৰীক ছেপ্তেম্বৰ মাহত দুহেজাৰ টকাকৈ ধন মোকলাই দিয়াৰ সিদ্ধান্ত ৰাজ্যিক মন্ত্ৰীসভাত গ্ৰহণ কৰা হয়।

বিকশিত অসমৰ ভেটি নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰৰ ইনফ্ৰা ভিজনৰ অংশ হিচাপে অহা ৫ বছৰত অসমত বিভিন্ন গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি প্ৰকল্প ৰূপায়ন কৰিবলৈ ৫০ হাজাৰ কোটি টকা বিনিয়োগত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকে অনুমোদন জনাইছে। এই বৈঠকত স্বচ্ছ শক্তিৰ দিশত অগ্ৰসৰ হোৱাৰ বাবে গোৱালপাৰাৰ ৰাক্ষসিনী পাহাৰত ৩০ মেগাৱাট শক্তিসম্পন্ন সৌৰ প্ৰকল্পৰ বাবে ৫০০ বিঘা ভূমি আৱণ্টনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। তদুপৰি চন্দ্ৰপুৰ, সোণাপুৰ আৰু চাপৰকে ধৰি ৰাজ্যৰ ভিন্ন প্ৰান্তৰ কেইবাটাও অঞ্চলত অসম ঔদ্যোগিক উন্নয়ন নিগমক এহেজাৰ ৭৪ বিঘা ভূমি আৱণ্টনৰ লগতে ধেমাজিত দুগ্ধ উন্নয়ন প্ৰকল্পৰ বাবে ২৭ বিঘা ভূমি আৱণ্টনৰো সিদ্ধান্ত লোৱা হয়। চাহ বাগিচাৰ ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰতো কেইবাটাও নীতি নিৰ্দেশনাত অনুমোদন দিয়া হৈছে।

মন্ত্ৰীসভাই ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ দোকানত ৰাজ সাহায্যযুক্ত মচুৰ দাইল আৰু চেনি ১০৫ টকাৰ যৌথ মূল্যৰে বিতৰণ অব্যাহত ৰখাত অনুমোদন জনাইছে। ইয়াৰ ফলত ৭০ লাখৰো অধিক পৰিয়াল উপকৃত হ'ব বুলি আশা কৰা হৈছে।

ooooo

মৰিগাঁৱৰ জিলা আয়ুক্ত সৃষ্টি সিঙৰ সভাপতিত্বত নগাঁও লোকসভা উপ-নিৰ্বাচনৰ প্ৰস্তুতি আৰু পূৰ্বৰ নিৰ্বাচনৰ পৰা অভিজ্ঞতা বিনিময় শীৰ্ষক এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত জিলা আয়ুক্তই সংশ্লিষ্ট বিষয়াসকলক বিভাগসমূহৰ মাজত সমন্বয় স্থাপন কৰি প্ৰয়োজনীয় ব্যৱস্থা সময়মতে সম্পূৰ্ণ হোৱাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। চক্ৰবিষয়াসকলক তৃণমূল পৰ্যায়ত প্ৰস্তুতিসমূহ পৰ্যালোচনা কৰিবলৈ বিভিন্ন বিষয়া আৰু কৰ্মীৰ নিয়োগ তথা নিৰ্বাচন সম্পৰ্কীয় প্ৰয়োজনীয়তাৰ বিষয়ে প্ৰতিবেদন দিবলৈ নিৰ্দেশ দিয়া হয়। জাগীৰোডৰ সহ-জিলা আয়ুক্ত হৃদয় কুমাৰ দাসে সদ্য সমাপ্ত বিধানসভা নিৰ্বাচনত উদ্ভৱ হোৱা ভালেমান বিষয় সন্দৰ্ভত

আলোকপাত কৰি এইক্ষেত্ৰত যথোচিত ব্যৱস্থা গ্ৰহণত গুৰুত্ব আৰোপ কৰা হয়। জিলা উন্নয়ন আয়ুক্ত অৰপা বাগলাৰী, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সত্যজিৎ চেতিয়া, অতিৰিক্ত জিলা উপায়ুক্ত ৰাকেশ ডেকা তথা আন ভালেমান বিষয়া এই বৈঠকত উপস্থিত থাকে।

০০০০০

তামুলপুৰ জিলাৰ কুমাৰীকাটা আৰক্ষীয়ে চলোৱা এটা অভিযানত আজি বুজন পৰিমাণৰ মাদকদ্ৰব্য সহ এটা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা হৈছে। গোপন তথ্যৰ পম খেদি আৰক্ষীয়ে কুমাৰীকাটা আৰক্ষীচকীৰ পৰা মাত্ৰ ১০০ মিটাৰ দূৰত্বত মাদকদ্ৰব্যৰ লগতে এখন দুচকীয়া বাহনসহ জেহেৰুল হুছেইন নামৰ এটা সৰবৰাহকাৰীক কৰায়ত্ত কৰে। সম্প্ৰতি অধিক তথ্যৰ বাবে আৰক্ষীয়ে ধৃত সৰবৰাহকাৰীটোৰ জেৰা অব্যাহত ৰাখিছে।

০০০০০

নেপালত যোৱা বুধবাৰে অহা আকস্মিক বানৰ পাছত ত্ৰিশূলী-থ্ৰি একে ধৰি জলবিদ্যুৎ প্ৰকল্পসমূহৰ সুৰংগত আবদ্ধ হৈ পৰা কেইবাশ লোকক উদ্ধাৰৰ বাবে অভিযান তীব্ৰ কৰি তোলা হৈছে। ভাৰত আৰু চীনৰ বিশেষজ্ঞকে ধৰি উদ্ধাৰকাৰী দলে এই লোকসকলৰ সৈতে যোগাযোগৰ চেষ্টা চলাই আছে যদিও বৰ্তমানলৈকে সুৰংগৰ ভিতৰৰ পৰা কোনোধৰণৰ সঁহাৰি লাভ কৰা নাই। এতিয়ালৈকে সন্ধানহীন হৈ থকা দুহেজাৰ ৫০০ লোকৰ ভিতৰত কেইবাশ লোক এই জলবিদ্যুৎ প্ৰকল্পসমূহৰ কৰ্মী আছিল বুলি সন্দেহ কৰা হৈছে। দেশখনৰ এই দুৰ্যোগত কমেও ৭৯৪ জন লোকৰ মৃত্যু হৈছে আৰু দুহেজাৰ ৫০০ৰো অধিক লোক সন্ধানহীন হৈ আছে। তিববতত চৰকাৰী তথ্য অনুসৰি ১৬ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৫৪৬ জন লোক সন্ধানহীন হৈ আছে। উদ্ধাৰকাৰী দলসমূহে নেপালৰ বানত প্ৰভাৱিত আঠোখন জিলাৰ পৰা মৃতদেহসমূহ উদ্ধাৰ কৰি আছে। ত্ৰিশূলী নদীত কালি নতুনকৈ অহা বানে মধ্য নেপালৰ এখন ওলমা দলং উটুৱাই লৈ যায়।

০০০০০

বৰপেটা চহৰৰ গণককুছিৰ পাথাৰহাটীত যোৱা নিশা সংঘটিত হত্যাকাণ্ডৰ মূল অভিযুক্তক আৰক্ষীয়ে কৰায়ত্ত কৰিবলৈ সমৰ্থ হৈছে। অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যই এই সন্দৰ্ভত হত্যাৰ বলি হোৱা লোকজনৰ নাম কামজিৎ দাস আৰু অভিযুক্ত ব্যক্তিগৰাকী ভগীৰথ দাস বুলি সাংবাদিকৰ আগত জানিবলৈ দিয়ে। দুয়োজন ব্যক্তিক চুবুৰীয়া বুলি অৱগত কৰি হত্যাৰ কাৰণ সন্দৰ্ভত অনুসন্ধান অব্যাহত আছে বুলি শ্ৰীবৈশ্যই অৱগত কৰে। ধৃত অভিযুক্তজনৰ বয়স ৫৩ বছৰ। ঘটনা সংঘটিত কৰি পলায়ন কৰা অভিযুক্ত শ্ৰীদাসে অপৰাধ স্বীকাৰ কৰিছে বুলিও আৰক্ষীয়ে জানিবলৈ দিছে।

০০০০০

শিলচৰ ব্ৰডগজ ৰূপায়ণ সমিতিয়ে শিলচৰ-লংকা-লামডিং-গুৱাহাটী ৰে'লপথক বিকল্প ৰে'লপথ হিচাপে গঢ়ি তোলাৰ দাবী তুলিছে। বৰাক উপত্যকা আৰু উত্তৰ-পূব অঞ্চলৰ যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ স্বাৰ্থত শিলচৰৰ পৰা লংকা-লামডিং হৈ গুৱাহাটীলৈ বিকল্প ৰে'লপথৰ প্ৰকল্প ক্ষীপ্ৰতাৰে ৰূপায়ণ কৰিবলৈ আহ্বান জনাই সংস্থাটোৱে শিলচৰ ৰে'ল ষ্টেচন চৌহদকে ধৰি চহৰৰ বিভিন্ন স্থানত প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখযোগ্য যে ৰে'ল যোগাযোগৰ বাবে নিৰ্দিষ্ট পথৰ ওপৰতে নিৰ্ভৰ কৰিবলগীয়া হোৱাত বৰাক উপত্যকাৰ যাত্ৰীসকলে যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। সেয়েহে ৰাজ্যৰ অন্যান্য প্ৰান্তৰ সৈতে ৰে'ল যোগাযোগ সুচল কৰিবলৈ ৰে'লযাত্ৰীসকলে এই দাবী তুলিছে।

০০০০০

কলিয়াবৰ সমজিলাৰ অধীনত মূল্য নিয়ন্ত্ৰণৰ বাবে টাস্ক ফোৰ্চ গঠন, অত্যাবশ্যকীয় সামগ্ৰীৰ ন্যায্য মূল্য আৰু উপলব্ধতা নিশ্চিত কৰাৰ লগতে মূল্যবৃদ্ধি ৰোধ কৰিবলৈ টাস্ক ফোৰ্চ গঠন কৰা হয়। কলিয়াবৰ সম-জিলা প্ৰশাসনৰ তৰফৰ পৰা সহকাৰী আয়ুক্ত নীলোৎপল চেতিয়াৰ নেতৃত্বত গঠন কৰা এই টাস্ক ফোৰ্চে পাইকাৰী আৰু খুচুৰা বজাৰত সামগ্ৰীৰ মূল্য নিৰীক্ষণ কৰাৰ লগতে অনিয়ম ৰোধ কৰিবলৈ নিয়মিতভাৱে বজাৰ পৰিদৰ্শন আৰু প্ৰয়োজনীয় অভিযান চলাব।

০০০০০

গোৱালপাৰা জিলাত অৱস্থিত সৈনিক বিদ্যালয়ত আজিৰে পৰা পাঁচ দিনীয়া কাৰ্যসূচীৰে সৰ্বভাৰতীয় সৈনিক স্কুল ২০২৬-২৭ বৰ্ষৰ ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহ অনুষ্ঠিত হৈছে। বিদ্যালয়ৰ অধ্যক্ষ কৰ্ণেল ধীৰজ কুমাৰ বিশ্বকৰ্মাই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অধ্যক্ষগৰাকীয়ে উদ্বোধনী ভাষণত কেডেটসকলক ক্ৰীড়াৰ প্ৰকৃত মনোভাৱ আৰু ভাতৃত্ববোধ বজাই ৰাখি দৃঢ়তা তথা আত্মবিশ্বাসেৰে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰে। এই সমাৰোহত উত্তৰ-পূৰ্বাঞ্চলৰ ছখন সৈনিক স্কুলৰ ৩০০ গৰাকী কেডেটে অংশগ্ৰহ কৰিছে। অহা ৪ ছেপ্তেম্বৰত সমাৰোহৰ সামৰণি অনুষ্ঠানত বিভিন্ন শাখাত বিজয়ীসকলক ট্ৰফী, পদক আৰু প্ৰমাণপত্ৰ প্ৰদান কৰা হ'ব।

০০০০০

সমাপ্ত